অধ্যায় ১ ঃ বর্ণ আৰু আখৰ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ বর্ণ বা আখৰ

১.৪ ধ্বনি

১.৫ বর্ণ বা আখৰ আৰু ধ্বনিৰ সম্পর্ক

১.৬ অসমীয়া স্বৰ আৰু ব্যঞ্জন ধ্বনি

১.৭ অসমীয়া ভাষাৰ আখৰ

১.৮ উচ্চাৰণৰ স্থান অনুসৰি বর্ণৰ ভাগ

১.৯ চন্দ্রবিন্দুৰ ব্যৱহাৰ

১.১০ ণত্ববিধি আৰু ষত্ববিধি

১.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১.১২ অধিক জানিবলৈ

১.১৩ অগ্রগতিৰ খতিয়ান

১.১৪ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বর্ণ বা আখৰ আৰু ধ্বনিৰ স্বৰূপ নির্ণয় কৰি ইয়াৰ মাজৰ সম্পর্ক বিচাৰ কৰিব পাৰিব
- অসমীয়া ভাষাৰ ধ্বনিসমূহৰ লগত পৰিচিত হৈ সেই ধ্বনিসমূহক লিখিত ৰূপ দিবলৈ ব্যৱহাৰ হোৱা আখৰবোৰ নির্ণয় কৰিব পাৰিব
- অসমীয়া ভাষাত চন্দ্রবিন্দুৰ ব্যৱহাৰ সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- ণত্ববিধি আৰু ষত্ববিধিৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ পাঠ্যক্রমৰ প্রথম ষান্মাসিকৰ সক্ষমতা বিকাশ এই পাঠ্যবিষয়ৰ শিৰোনাম ‘প্রায়োগিক অসমীয়া’। চাৰি ক্রেডিটযুক্ত এই পাঠ্যবিষয়খন অসমীয়া বিষয়ক স্নাতকোত্তৰ শ্রেণীৰ বিষয় হিচাপে নোলোৱা অন্য স্নাতকোত্তৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা হৈছে। এইটো পাঠ্যবিষয়ৰ প্রথম অধ্যায়। ইয়াত শিক্ষার্থীক অসমীয়া ব্যাকৰণৰ কিছুমান প্রাথমিক বিষয়ৰ লগত পৰিচিত কৰোৱা হ’ব। বর্ণ, আখৰ, অসমীয়া ভাষাৰ ধ্বনি, অসমীয়া ভষাৰ আখৰ সম্পর্কে এই অধ্যায়ত আলোচনা কৰা হ’ব।

১.৩ বর্ণ বা আখৰ

কোনো এটা ভাষাক লিখিত ৰূপ দিবলৈ যিবোৰ চিহ্ন ব্যৱহাৰ কৰা হয়, সেইবোৰকে বর্ণ বা আখৰ বোলে। উদাহৰণস্বৰূপে, অসমীয়া ভাষা লিখিবলৈ - অ, আ, ই, ঈ, ক, খ, গ, ঘ, ঙ আদি চিনবোৰ ব্যৱহাৰ হয়। এই প্রত্যেকটোৱেই একোটা বর্ণ বা আখৰ। এই বর্ণ বা আখৰ এটা ভাষাত লিখিত ৰূপৰ সৈতে জড়িত।



জানি থোৱা ভাল

ৰূপ ঃ এটা ধ্বনি বা একাধিক ধ্বনি লগলাগি এটা ন্যুনতম অর্থ প্রকাশ কৰিলে সেই ধ্বনি বা ধ্বনি গোটটোক ৰূপ বা আকৃতি বুলি কোৱা হয়। এই ৰূপসমূহ এককভাৱে অথবা অন্য ৰূপৰ লগত লগলাগি বাক্যত ব্যৱহৃত হয়।

১.৪ ধ্বনি

মানুহে কথা কওঁতে অর্থাৎ মনৰ ভাব প্রকাশ কৰোঁতে উচ্চাৰণ কৰা আটাইতকৈ ক্ষুদ্রতম খণ্ডটোকে ধ্বনি বোলা হয়। আমি সাধাৰণতে কথা কওঁতে কেতবোৰ বাক্যৰ সহায়েৰে মনৰ ভাব প্রকাশ কৰোঁ। এই বাক্যবোৰ আকৌ কিছুমান শব্দ অথবা ৰূপৰ সমষ্টি। একোটা শব্দ অথবা ৰূপ আকৌ কেতবোৰ ক্ষুদ্র ক্ষুদ্র অংশৰ দ্বাৰা গঠিত। এই ক্ষুদ্র ক্ষুদ্র অংশবোৰকে ধ্বনি বোলে। এই ধ্বনি ভাষাত কথিত ৰূপৰ লগত জড়িত। উদাহৰণস্বৰূপে -'ৰাম ভাল ল'ৰা' বাক্যটি বিশ্লেষণ কৰিলে 'ৰাম','ভাল', 'ল'ৰা' - এই তিনিটা শব্দ অথবা ৰূপ পাওঁ। 'ৰাম' শব্দটোৰ আকৌ ৰ+আ+ম - এই তিনিটা ক্ষুদ্র অংশ আছে। এই ৰ, আ, ম - প্রত্যেকটোৱেই একোটা ধ্বনি।

১.৫ বর্ণ বা আখৰ আৰু ধ্বনিৰ সম্পর্ক

বর্ণ বা আখৰ আৰু ধ্বনিৰ মাজত সম্পর্ক আছে। ধ্বনি ভাষাৰ উচ্চাৰণগত দিশৰ লগত অর্থ্যাৎ ভাষাৰ কথিত ৰূপৰ লগত জড়িত। আনহাতে ভাষাৰ কথিত ৰূপটোকে আখৰৰ সহায়ত লিখিত ৰূপ দিয়া হয়। একেষাৰতে ক'বলৈ হ'লে - ভাষাৰ ধ্বনিসমূহক যিবিলাক চিনৰ দ্বাৰা লিখা হয়, সেই চিনবোৰকে বর্ণ বা আখৰ বোলে। মুখেৰে উচ্চাৰিত ধ্বনিসমূহক যেনেদৰে বর্ণ বা আখৰৰ সহায়ত লিখিত ৰূপ দিব পাৰি, একেদৰে লিখিত আখৰসমূহকো উচ্চাৰণ কৰি ধ্বনিৰ ৰূপ দিব পাৰি।

১.৬ অসমীয়া স্বৰ আৰু ব্যঞ্জন ধ্বনি

ধ্বনিসমূহক দুটা বহল ভাগত ভগাব পাৰি - স্বৰ আৰু ব্যঞ্জন। আমি কথা কওঁতে হাওঁফাওঁৰ পৰা বায়ুৰ প্রবাহ এটা বাহিৰলৈ ওলাই আহে। এই বায়ু প্রবাহ ওলাই আহোতে মুখ বিৱৰত কেতিয়াবা সম্পূর্ণভাৱে বাধাপ্রাপ্ত হৈ বিভিন্ন প্রকাৰৰ ধ্বনিৰ সৃষ্টি কৰে। যিবিলাক ধ্বনি উচ্চাৰণ কৰোতে মুখ বিৱৰে বায়ু প্রবাহত কোনো বাধাৰ সৃষ্টি নকৰে তেনেবোৰ ধ্বনিকে স্বৰ ধ্বনি বোলা হয়। অসমীয়া ভাষাৰ স্বৰধ্বনি হ'ল আঠোটা। যথা- ই, এ', এ, আ, উ, ও, অ', অ। আনহাতে স্বৰবর্ণ বা আখৰ হৈছে এঘাৰটা। সেইকেইটা হ'ল- অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও, ঔ। ঐ আৰু ঔ-ক দ্বিস্বৰ বোলা হয়। ইয়াৰ কাৰণ হ'ল- অ+ই=ঐ আৰু অ+উ=ঔ হৈছে।

অসমীয়া ভাষাৰ বর্ণ অথবা আখৰসমূহ সংস্কৃত ভাষাৰ আর্হিৰে গঢ়িত। অসমীয়া ভাষাৰ স্বৰবর্ণৰ হ্রস্ব আৰু দীর্ঘ বিভাজনো সংস্কৃত ব্যাকৰণৰ অনুৰূপ (হ্রস্বস্বৰ- অ, ই, উ, ঋ আৰু দীর্ঘস্বৰ- আ, ঈ, ঊ, এ, ঐ, ও, ঔ)। কিন্তু সংস্কৃত ভাষাৰ দৰে কওঁতে উচ্চাৰণত হ্রস্ব-দীর্ঘৰ মাত্রাভেদ অসমীয়া ভাষাত দেখা পোৱা নাযায়।

উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া স্বৰধ্বনিসমূহ এনেদৰে তালিকাভুক্ত কৰি দেখুৱাব পাৰি-

	সন্মুখ	**কেন্দ্রীয়**	**পশ্চ**
উচ্চ	ই		উ
উচ্চ-মধ্য	এ		ও
উচ্চ-নিম্ন-মধ্য	এ'		অ'
নিম্ন-মধ্য			অ
নিম্ন		আ	

যিবিলাক ধ্বনি উচ্চাৰণত বায়ু প্রবাহ আংশিক অথবা সম্পূর্ণৰূপে বাধাপ্রাপ্ত হয়, তেনেবোৰ ধ্বনিক ব্যঞ্জন ধ্বনি বোলে। অর্দ্ধ-স্বৰ 'ৱ' আৰু 'য়' -কে ধৰি অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ সংখ্যা তেইছ (২৩) টা। 'ৱ' আৰু 'য়' ৰ উচ্চাৰণ স্বৰ আৰু ব্যঞ্জনৰ মাজত হয়, অর্থাৎ ইহঁতৰ উচ্চাৰণ স্বৰৰ দৰে বাধাহীন বা ব্যঞ্জনৰ দৰে বাধাপ্রাপ্তও নহয়। সেয়েহে এই দুটা ধ্বনিক অর্দ্ধ-স্বৰ বা শ্রুতিধ্বনি বুলি কোৱা হয়। অসমীয়া ব্যঞ্জন ধ্বনি কেইটা হ'ল-

ক	খ	গ	ঘ	ঙ
ত	থ	দ	ধ	ন
প	ফ	ব	ভ	ম
চ	জ	স	হ	
ৰ	ল	ৱ	য়	

১.৭ অসমীয়া ভাষাৰ আখৰ

অসমীয়া ভাষাত ধ্বনিতকৈ আখৰৰ সংখ্যা বেছি। এটা ধ্বনি বুজাবলৈ এক বা একাধিক আখৰো ব্যৱহাৰ কৰা হয়। আঠটা স্বৰধ্বনিক বুজাবলৈ ১১ টা আখৰ আৰু ২৩ টা ব্যঞ্জন ধ্বনিক বুজাবলৈ ৪১ টা আখৰৰ প্ৰয়োগ হয়। সাধাৰণতে অ আৰু অ' এই স্বৰধ্বনি দুটাক বুজাবলৈ এটা আখৰ অ আৰু একেদৰে এ আৰু এ' আখৰ দুটা সূচাবলৈ এ আখৰটো ব্যৱহাৰ কৰা হয় যদিও কেতিয়াবা অ' আৰু এ' ধ্বনি বুজাবলৈ (-') চিহ্নটিও ব্যৱহাৰ কৰা হয়। যেনে গ'ল, ব'ল ইত্যাদি। তলত অসমীয়া ভাষাৰ ধ্বনিসমূহক সূচিত কৰিবলৈ ব্যৱহাৰ হোৱা বিভিন্ন আখৰসমূহৰ এখন তালিকা দাঙি ধৰা হ'ল -

অসমীয়া স্বৰধ্বনি	ব্যৱহৃত আখৰ
অ	অ
অ'	অ (-')
আ	আ (া)
ই	ই, ঈ (ি, ী)
উ	উ, ঊ (ু, ূ)
এ	এ (ে)
এ'	এ (ে , -')
ও	ও (ো)

অসমীয়া ব্যঞ্জন ধ্বনি	ব্যৱহৃত আখৰ
ক	ক
খ	খ
গ	গ
ঘ	ঘ
ঙ	ঙ, ং
চ	চ, ছ ব্যঞ্জনযুক্ত শ,ষ আৰু স
জ	জ বা য (্য)
ত	ত , ট , ৎ
থ	থ , ঠ
দ	দ, ড

ধ	ধ, ঢ
ন	ন, ণ
প	প
ফ	ফ
ব	ব
ভ	ভ
ম	ম
ৰ	ৰ, ড়
ল	ল
স	শ, ষ , স
হ	হ, ঃ



জানি থোৱা ভাল

অসমীয়া ভাষাত 'ঋ' আখৰটোৰ প্ৰয়োগ আছে যদিও ইয়াৰ উচ্চাৰণ 'ৰি' ৰ নিচিনা । যেনে - 'ঋষি' শব্দটো উচ্চাৰিত হয় 'ৰিসি' হিচাপে।

অযোগবাহবর্ণ- অসমীয়া ভাষাত 'ং' (অনুস্বাৰ) আৰু 'ঃ' বিসর্গ হৈছে অযোগবাহবর্ণ। এই দুটা বর্ণৰ স্বৰবর্ণ আৰু ব্যঞ্জনবর্ণৰ লগত যোগ নাই বা স্বতন্ত্ৰ স্থান নাই যদিও ব্যৱহাৰ আছে।

বর্ণ সমীকৰণ বা সমীভৱন- ওচৰা-ওচৰিকৈ থকা দুটা ধ্বনি পৰস্পৰৰ প্ৰভাৱত পৰিৱর্তন ঘটি সমতা লাভ কৰিলে তাক সমীভৱন বুলি কোৱা হয়। যেনে- সাত দিনীয়া=সাদিনীয়া, আধা তোলা=আদ্‌তোলা ইত্যাদি।

অসমীকৰণ বা বিষমীভৱন- শব্দত থকা দুটা একেই ব্যঞ্জনধ্বনিৰ পৰিৱর্তনক অসমীকৰণ বা বিষমীভৱন বোলে। যেনে- শৰীৰ>শৰীল, শৃংখল>শিকলি ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ধ্বনি কাক বোলে? ই প্ৰধানতঃ কেইপ্ৰকাৰৰ ?

১.৮ উচ্চাৰণৰ স্থান অনুসৰি বর্ণৰ ভাগ

অসমীয়া ভাষাৰ বর্ণৰ বিভাজন সংস্কৃতৰ অনুৰূপ। উচ্চাৰণৰ স্থান অনুসৰি অসমীয়া ভাষাৰ বর্ণসমূহক ছটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। সেইসমূহ হ'ল-

১) কণ্ঠ্যবর্ণ— অ, আ, ক, খ, গ, ঘ, ঙ, হ

২) তালব্যবর্ণ— ই, ঈ, এ, ঐ, চ, ছ, জ, ঝ, ঞ, শ

৩) মূর্দ্ধন্যবর্ণ— ঋ, ট, ঠ, ড, ঢ, ণ, ৰ, ষ

৪) দন্ত্যবর্ণ— ত, থ, দ, ধ, ন, ল, ৱ, স

৫) ঔষ্ঠ্যবর্ণ— উ, ঊ, ও, ঔ, প, ফ, ব, ভ, ম

৬) অনুনাসিক— ঙ, ঞ, ণ, ন, ম

অসমীয়া ভাষাত বিশুদ্ধ দন্ত্য, মূর্দ্ধন্য আৰু তালব্য ধ্বনি পোৱা নাযায়। এইবোৰ ধ্বনি দন্ত্যমূলীয় ধ্বনিলৈ পৰিৱর্তন হৈছে। অসমীয়া ভাষাত লিখিত আৰু উচ্চাৰিত ধ্বনিৰ মাজত পার্থক্য আছে।

১.৯ চন্দ্রবিন্দু (ঁ)ৰ ব্যৱহাৰ

চন্দ্রবিন্দু (ঁ) অসমীয়া ভাষাৰ এটা বৈশিষ্ট্যপূর্ণ বর্ণ। ই স্বতন্ত্রভাৱে উচ্চাৰিত হ'ব নোৱাৰে। অন্য স্বৰবর্ণৰ লগত লগ লাগিহে ই উচ্চাৰিত হয়। সাধাৰণতে অনুনাসিক উচ্চাৰণৰ ক্ষেত্রত (ঁ) চন্দ্রবিন্দুৰ প্রয়োগ হয়।

চন্দ্রবিন্দুটো সদায় স্বৰবর্ণৰ লগত উচ্চাৰিত হয় বাবে যিটো স্বৰৰ লগত ইয়াৰ উচ্চাৰণ হয় সেই স্বৰটোৰ ওপৰত ইয়াক লিখিব লাগে। যেনে - অকঁৰা, আঁচোৰ, গাঁও, আঁঠু ইত্যাদি।

চন্দ্রবিন্দু (ঁ) প্রয়োগ হোৱাৰ ফলত শব্দ এটাৰ অর্থৰ তাৰতম্য ঘটিব পাৰে। যেনে-

পাঁচ (সংখ্যা বুজাবলৈ) - পাচ (অৱস্থান বুজাবলৈ)

ধোঁৱা (জুইৰ ধোঁৱা) - ধোৱা (পানীৰে পৰিস্কাৰ কৰা)

নিত্য বর্তমানৰ প্রথমাৰ সকলো ক্রিয়াতে 'ও' বিভক্তি যোগ হয়। এই 'ও' স্বৰৰ অনুনাসিক উচ্চাৰণৰ বাবে চন্দ্রবিন্দু (ঁ) ব্যৱহাৰ হয়। যেনে- খাওঁ, যাওঁ, কৰোঁ, উঠোঁ ইত্যাদি। একেদৰে - ওঁতে লগলগা ক্রিয়া পদবোৰতো চন্দ্রবিন্দু ব্যৱহাৰ কৰিব লাগে। যেনে— খাওঁতে, কৰোঁতে, ইত্যাদি।

দ্বিতীয় পুৰুষৰ 'তুমি', 'তোমালোক'- কর্তাযুক্ত অনুজ্ঞা ক্রিয়া বা নিত্য বর্তমান কালৰ ক্রিয়াবিলাকত চন্দ্রবিন্দু ব্যৱহাৰ হয়। যেনে—তুমি/তোমালোক- যোৱাঁ, খোৱাঁ, গোৱাঁ, লোৱাঁ, হোৱাঁ, কৰাঁ ইত্যাদি ।

সংস্কৃত মূলৰ পৰা অহা অসমীয়া শব্দৰ মূল সংস্কৃত শব্দটোত যদি কোনো নাসিক্য বর্ণ থাকে, তেনেহ'লে সেই নাসিক্য বর্ণৰ আগৰ ব্যঞ্জন বর্ণটোৰ ওপৰত চন্দ্রবিন্দু বহে। যেনে- অঙ্ক>আঁক, দন্ত>দাঁত, কন্টক>কাঁইট ইত্যাদি।

কোনো ক্রিয়াৰ কর্তা জনক বুজাবলৈ ব্যৱহাৰ কৰা 'ওঁতা' প্রত্যয় সদায় চন্দ্রবিন্দুযুক্ত হয়। যেনে- দিওঁতা, ধৰোঁতা, গাওঁতা, কৰোঁতা, লওঁতা ইত্যাদি।

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা বহুবচনসূচক 'হঁত' প্রত্যয়ৰ 'হ'ৰ ওপৰত চন্দ্রবিন্দু ব্যৱহাৰ হয় । যেনে- ইহঁত, সিহঁত, ল'ৰাহঁত ইত্যাদি।

অসমীয়া ভাষাৰত সাধাৰণতে প্রথম পুৰুষত বর্তমান আৰু ক্রিয়াৰূপৰ ক্রিয়াবিভক্তিত 'চন্দ্রবিন্দু' ব্যৱহাৰ হয়। যেনে- মই ভাত খাইছোঁ । যি বিলাক ক্রিয়াত ' -ওতে' প্রত্যয় লগ লাগে তাত 'চন্দ্রবিন্দু' প্রয়োগ হয়। যেনে আহোঁতে , যাওঁতে, খাওঁতে ইত্যাদি। কিন্তু ঙ , ন , ম যুক্ত ক্রিয়া বা অনুনাসিক ধ্বনি সমূহত 'চন্দ্রবিন্দুৰ' প্রয়োগ নহয়। যেনে- শুলো, শুঙোতে, ভ্রমোতে ইত্যাদি ।



জানি থোৱা ভাল

অনুনাসিক ধ্বনি ঃ যিবোৰ ধ্বনি উচ্চাৰণৰ সময়ত হাওঁফাওঁৰ পৰা ওলোৱা বায়ু প্রবাহ কিছু পৰিমাণে নাকেৰে ওলাই, তেনে ধ্বনিবোৰক অনুনাসিক ধ্বনি বোলে।

খাওক, যাওক, হওক, লিখক আদি অনুজ্ঞাসূচক, আদেশসূচক শব্দত চন্দ্রবিন্দু নালাগে।

অসমীয়া ভাষাত চন্দ্রবিন্দুৰ ব্যৱহাৰে শব্দৰ অর্থও পৃথক কৰিব পাৰে। যেনে- বাঁহ (এবিধ গছ), বাহ (চৰাইৰ ঘৰ), আঁহত (এবিধ গছ), আহত (আঘাত পোৱা), ভাঁজ (কোণ, পাক), ভাজ (ৰান্ধ) ইত্যাদি।

১.১০ ণত্ববিধি আৰু ষত্ববিধি ঃ

'ন' আৰু 'ণ'ৰ উচ্চাৰণ একে যদিও আখৰ বেলেগ। সেয়েহে ইহঁতৰ প্রয়োগো বেলেগ। সেই বাবে য'ত 'ন' লিখিব লাগে তাত 'ণ' লিখিব নোৱাৰি। একেদৰে য'ত 'ণ' লিখিব লাগে তাত 'ন' লিখিব নোৱাৰি। কোনবোৰ শব্দত 'ণ' প্রয়োগ হ'ব আৰু কিছুমান নিয়ম আছে। এই নিয়মবোৰকে ণত্ববিধি বোলা হয়। কেতিয়াবা আখৰ বা ধ্বনিৰ অৱস্থানভেদে 'ন' 'ণ' লৈ পৰিৱর্তন হয়। এই নিয়মবোৰ তলত উল্লিখিত কৰা হ'ল--

- ঋ, ৰ, ষ- পাছত সাধাৰণতে 'ণ' প্রয়োগ হয়। যেনে -- ঋণ, হৰণ, কাৰণ, কৃষাণ ইত্যাদি।
- ঋ, ৰ, ষ -ৰ পাছত স্বৰবর্ণ থাকিলে অথবা ক বর্গ, ট বর্গৰ যিকোনো বণ থাকিলে নাইবা

য, ৰ, হ বা অনুস্বৰ (ং) থাকিলে তাৰ পাছত 'ণ' প্ৰয়োগ হয়। যেনে- পাষাণ, বৰুণ, কৃপণ, গ্ৰহণ, শ্ৰৱণ, আপ্ৰাণ ইত্যাদি।

- ট বৰ্গৰ কোনো বৰ্ণৰ সৈতে যুক্ত হ'লেও 'ন', 'ণ' হয়। যেনে- কণ্টক, পিণ্ড ইত্যাদি।
- প্ৰ, পূৰ্ব, পৰ, অপৰ শব্দৰ পাছত থকা 'অহ্ন শব্দৰ 'ন', 'ণ' হয়। যেনে- প্ৰাহ্ণ, পূৰ্বাহ্ণ, অপৰাহ্ণ, পৰাহ্ণ ইত্যাদি।
- প্ৰ, পাৰা, পৰি, নিৰ আদি উপসৰ্গৰ পাছত থকা নম্, নী, নু ধাতুৰ 'ন', 'ণ' হয়। যেনে - প্ৰণাম, প্ৰণিপাত, প্ৰমাণ, পৰিণাম ইত্যাদি।
- পৰ, পৰা, উত্তৰ, ছন্দ্ৰ, নাৰ, ৰাম আদি শব্দৰ পাছত থকা অয়ন শব্দৰ 'ন' 'ণ' হয়। যেনে- উত্তৰায়ণ, পৰায়ণ, ৰামায়ণ, নাৰায়ণ, চন্দ্ৰায়ণ ইত্যাদি।
- যুক্ত ব্যঞ্জনৰ পাছত থকা 'ন' সাধাৰণতে 'ণ' হয়। যেনে- দক্ষিণ, ভক্ষণ ইত্যাদি।
- দুটা শব্দ লগ লাগি এটা নাম বুজালে আগৰ শব্দত থকা ঋ, ৰ, ষ -ৰ পাছৰ শব্দত থকা 'ন' 'ণ' হয়। যেনে- শূৰ্পণখা, এক্ষৌহিণী ইত্যাদি।
- কেতবোৰ শব্দৰ পাছত আণি, ইনি ইত্যাদি ন-যুক্ত প্ৰত্যয় যোগ হ'লে 'ন' 'ণ' লৈ পৰিৱৰ্তিত হয়। যেনে- আৰম্ভণি, ভৰণি, বৰণ ইত্যাদি।
- কিছুনাম শব্দত স্বাভাৱিকতে মূৰ্ধণ্য 'ণ' হয়। যেনে- নিপুণ, কল্যাণ, পণ, বাণিজ্য, কণিকা ইত্যাদি।

ণত্ববিধিৰ নিচিনাকৈ যত্ববিধিও হ'ল 'ষ' বৰ্ণ প্ৰয়োগ হোৱাৰ নিয়ম। তলত এই নিয়মবোৰ দাঙি ধৰা হ'ল—

- অ আৰু বা স্বৰবৰ্ণৰ বাহিৰে অন্য স্বৰবৰ্ণ, 'ক' অথবা 'ৰ'ৰ পাছত ব্যৱহাৰ হোৱা প্ৰত্যয়ৰ 'স' 'ষ' হয়। যেনে- বহিষ্কৃত, ভৱিষ্যৎ ইত্যাদি।
- ঋ- কাৰৰ পাছত 'ষ' প্ৰয়োগ হয়। যেনে- বৃষভ, পৃষ্ঠা, ঋষি ইত্যাদি।
- 'ট' বৰ্ণৰ লগত 'ষ' হয়। যেনে- কষ্ট, ষষ্ঠ, আকৃষ্ট ইত্যাদি।
- উ- কাৰান্ত আৰু ই-কাৰান্ত উপসৰ্গৰ পাছত ঋতুৰ প্ৰথম বৰ্ণ 'স' হ'লে 'ষ' লৈ পৰিৱৰ্তন হয়। যেনে- নিষেধ, অনুষ্ঠান ইত্যাদি।
- বি, সু, নিৰ্ আৰু দূৰ উপসৰ্গযুক্ত 'সম্' শব্দৰ 'স' মূৰ্ধণ্য 'ষ' হয়। যেনে- সুষম, বিষম ইত্যাদি।
- ভূমি, গো, অঙ্গু আৰু যুধি শব্দৰ পাছত থকা 'স্থা' ধাতুৰ 'স' মূৰ্ধণ্য 'ষ' হয়। যেনে- ভূমিষ্ঠ, যুধিষ্ঠিৰ, ভীষ্ম ইত্যাদি।
- প্ৰথম শব্দৰ শেষত বিসৰ্গ আৰু দ্বিতীয় শব্দৰ আৰম্ভণিত 'ট' বা 'ছ' থাকিলে কেতিয়াবা বিসৰ্গৰ ঠাইত 'ষ' হয়। যেনে- ধনু + টঙ্কাৰ = ধনুষ্টঙ্কাৰ
- কিছুমান শব্দত স্বাভাৱিকতে 'ষ' হয়। যেনে- বৰ্ষা, কৰ্ষণ, ভূষণ, পাষাণ, বিষ, ঊষা, পুৰুষ, বিশেষণ, বিশেষ্য, কৃষক ইত্যাদি।



জানি থোৱা ভাল

সাধাৰণতে বিদেশী শব্দবোৰত ণত্ববিধি আৰু ষত্ববিধিৰ নিয়ম মানি চলা নহয়। যেনে -- কোৰান/কোৰাণ, ইৰান, জাপান, জার্মান, সস্তা, ষ্টেলিন/ ষ্তেলিন, টলষ্টয়/ তলস্তয় ইত্যাদি।



১.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাক লিখিত ৰূপ দিবলৈ ব্যৱহাৰ হোৱা চিনবোৰকে বর্ণ বা আখৰ বোলে।
- ধ্বনি ভাষাৰ কথিত ৰূপৰ লগত জড়িত।
- ধ্বনি আৰু বর্ণৰ সম্পর্ক আছে।
- অসমীয়া ভাষাত ৮ টা স্বৰ ধ্বনি আৰু ২৩ টা ব্যঞ্জন ধ্বনিৰ প্রয়োগ আছে।
- এই ধ্বনিসমূহক সূচিত কৰিবলৈ ১১ টা স্বৰ বর্ণ আৰু ৪১ টা বর্ণ ব্যৱহাৰ কৰা হয়।
- চন্দ্রবিন্দুৰ প্রয়োগ অসমীয়া ভাষাৰ এক বিশেষ বিশেষত্ব। উল্লেখযোগ্য যে ইয়াৰ প্রয়োগে এটা শব্দৰ অর্থৰো সলনি কৰে।



১.১২ অধিক জানিবলৈ

গোস্বামী, উপেন্দ্রনাথ (২০১৫); *অসমীয়া ভাষাৰ ব্যাকৰণ*, গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

গোস্বামী, গোলোকচন্দ্র (২০০০); *অসমীয়া ব্যাকৰণ প্রবেশ*, গুৱাহাটী ঃ বীণা লাইব্রেৰী

গোস্বামী, গোলোকচন্দ্র (২০১৪); *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, গুৱাহাটী ঃ বীণা লাইব্রেৰী

পাটগিৰি, দীপ্তি ফুকন (২০১০); *আধুনিক অসমীয়া ব্যাকৰণ;* গোলাঘাট ঃ সৰস্বতী প্রকাশন।



১.১৩ অগ্রগতিৰ খতিয়ান

১ নম্বৰ প্রশ্নৰ উত্তৰ ঃ ধ্বনি কি তাৰ সংজ্ঞা ...ধ্বনিৰ ভাগসমূহ।



১.১৪ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১। বৰ্ণ কাক বোলে?

প্ৰশ্ন নং ২। ধ্বনি কাক বোলে? বৰ্ণ বা আখৰৰ লগত ইয়াৰ সম্পৰ্ক কি?

প্ৰশ্ন নং ৩। অসমীয়া স্বৰধ্বনিসমূহ কি কি? কি কি বৰ্ণ বা আখৰেৰে এই ধ্বনিসমূহ বুজোৱা হয়?

প্ৰশ্ন নং ৪। অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহ কি কি?

প্ৰশ্ন নং ৫। ব্যঞ্জন ধ্বনিসমূহ সূচাবলৈ অসমীয়া ভাষাত কি কি আখৰৰ প্ৰয়োগ হয়? এখন তালিকা প্ৰস্তুত কৰক।

প্ৰশ্ন নং ৬। চন্দ্ৰবিন্দুৰ ব্যৱহাৰে কেনেদৰে অৰ্থৰ পৰিৱৰ্তন ঘটাই কেইটামান উদাহৰণ দাঙি ধৰক।

প্ৰশ্ন নং ৭। ণত্ববিধি আৰু ষত্ববিধি মানে কি? ণত্ববিধি আৰু ষত্ববিধিৰ নিয়মবোৰ আলোচনা কৰক।